# নিতাই - পানীদিহিংৰ জামিৰা অঞ্চলত বাস কৰা সোণোৱাল কছাৰীসকলৰ জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকাচাৰ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ অসমীয়া বিভাগৰ
সন্মান বিষয়ৰ ষষ্ঠ ষান্মাসিকৰ DSE-4(B) প্ৰশ্নকাকত অনুসৰি যুগুত কৰা
ক্ষুদ্ৰ প্ৰকল্প প্ৰতিবেদন

প্ৰস্তুতকৰ্তা
কৰবী চেতিয়া
স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
ৰোল নম্বৰ:30410027
পঞ্জীয়ন নম্বৰ:S2131916

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাই পুখুৰী

**অসমীয়া বিভাগ**

**হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় নিতাইপুখুৰী, জিলা- শিৱসাগৰ,অসম**

## <u>প্ৰমাণ পত্ৰ</u>

শ্ৰীমতী কৰৱী চেতিয়া , ৰোল নং: ৩০৪১০০২৭, স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী। তেওঁ [illegible]দেৱৰ তত্বাবধানত অসমীয়া সন্মান বিষয়ৰ DSE-4 (B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে " **নিতাই - পানীদিহিংৰ জামিৰা অঞ্চলত বাস কৰা_সোণোৱাল কছাৰীসকলৰ জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকাচাৰ** " বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

নিবেদিতা দাস 20/05/2024

তত্ত্বাবধায়ক

অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয় নিতাইপুখুৰী,

শিৱসাগৰ,অসম

# কৃতজ্ঞতা জ্ঞাপন

হেমচন্দ্র দেৱ গোস্বামী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ DSE-4(B) কাকতৰ বাবে এই প্ৰকল্প প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছে। ' নিতাই- পানীদিহিংৰ ' জামিৰা অঞ্চলত বাস কৰা 'সোণোৱাল কছাৰীসকলৰ জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকাচাৰ ' এই আলোচনা শীৰ্ষক প্ৰকল্পখন প্ৰতিবেদনখন নিভা দাস বাইদেউৰ তত্বাৱধানত প্ৰস্তুত কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা আদি কৰি বহুতো দিহা-পৰামৰ্শ আগবঢ়াই আৰু লগতে বিভিন্ন সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত নিভা দাস বাইদেউৱে সম্পূৰ্ণ সহায়- সহযোগিতা আগবঢ়াই প্ৰকল্পৰ প্ৰতিবেদনটি প্ৰস্তুত কৰাত তত্বাৱধায়কৰ গুৰু দায়িত্ব বহন কৰিলে। তাৰ বাবে তেওঁৰ ওচৰত মই চিৰঋণী । তেওঁক অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক দিগন্ত গগৈ ছাৰৰ শলাগ লৈছোঁ। ছাৰে ক্ষেত্ৰ অধ্যয়নৰ পৰা প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰালৈকে নানা দিহা - পৰামৰ্শেৰে উপকৃত কৰিলে। বিভাগৰ সহকাৰী অধ্যাপকত্ৰয় পিকুমণি চুতীয়া,মৃদুস্মিতা দত্ত আৰু শিল্পীশিখা গগৈ বাইদেউলৈও তেওঁলোকৰ দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কৃতজ্ঞতা জ্ঞাপন কৰিছো এই প্ৰকল্প প্ৰতিবেদনটো সমাপ্ত কৰাৰ ক্ষেত্ৰত সহায় লোৱা বিভিন্ন গ্ৰন্থৰ লেখকসকললৈ। কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ গৱেষক ৰিপু কছাৰীক। তেওঁ প্ৰকল্প প্ৰতিবেদনটি প্ৰস্তুত কৰোঁতে নানা তথ্যৰ সম্ভেদ দিয়াৰ লগতে প্ৰকল্প সম্পৰ্কীয় বিভিন্ন কিতাপ - পত্ৰৰ যোগান ধৰি সহায় - সহযোগিতা আগবঢ়ালে। তেওঁলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে এই প্ৰকল্প সম্পৰ্কীয় কিতাপ - পত্ৰ দি সহায় কৰা ত্ৰিবেণী সন্দিকৈ, ইছা সোণোৱাল আৰু বিষ্ণু কছাৰীকো অশেষ ধন্যবাদ জনাইছোঁ।

এই প্ৰকল্প প্ৰতিবেদনটি প্ৰস্তুত কৰোঁতে জামিৰা অঞ্চলৰ বিউতী হাজৰিকা, শোষেশ্বৰী হাজৰিকা, মহিলা হাজৰিকা, ভোগে কছাৰী আৰু ৰেণু কছাৰীয়ে যথেষ্ট সহায় কৰিছে। তেওঁলোকক অশেষ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত ডি. টি. পি.ত সহায় কৰা পাৰ্থপ্ৰতীম দত্ত আৰু পৰিমণি শইকীয়াক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কৰবী চেতিয়া

কৰবী চেতিয়া

স্নাতক ,ষষ্ঠ ষান্মাসিক

অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

# সূচীপত্ৰ

০.০ অৱতৰণিকা
০.১ বিষয়ৰ পৰিচয়
০.২ অধ্যয়নৰ উদ্দেশ্য
০.৩ অধ্যয়নৰ পদ্ধতি
০.৪ অধ্যয়নৰ পৰিসৰ
০.৫ তথ্য আহৰণৰ উৎস
০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা

১.০ অসম অধিবাসী সোণোৱাল কছাৰীসকল
১.১ সোণোৱাল কছাৰীসকলৰ পৰিচয়
১.২ নিতাই পানীদিহিংৰ জামিৰা অঞ্চলৰ সোণোৱাল কছাৰীসকল

২.০ নিতাই পানীদিহিংৰ জামিৰা অঞ্চলৰ সোণোৱাল কছাৰীসকলৰ লোকাচাৰ
২.১ সংস্কৃতিৰ উপাদানস্বৰূপে লোকাচাৰ
২.২ সোণোৱাল কছাৰীসকলৰ জন্ম সম্পৰ্কীয় লোকাচাৰ
২.৩ সোণোৱাল কছাৰীসকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ
  ২.৩.১ তোলনী বিয়া
  ২.৩.২ বৰবিয়া
    ২.৩.২.১ নোৱাই-ধোৱাই দিয়া বৰবিয়া
    ২.৩.২.২ অনুষ্টুপীয়া অৰ্থাৎ ৰভা সৰকাই দিয়া বিয়া
    ২.৩.২.৩ গন্ধৰ্ব বিবাহ বা পলুৱাই নিয়া বিবাহ
    ২.৩.২.৪ ঘৰ উঠা
    ২.৩.২.৫ বৰ বিয়াৰ নাম
২.৪ সোণোৱাল কছাৰীসকলৰ মৃত্যু সম্পৰ্কীয় লোকাচাৰ
  ২.৪.১ সংস্কাৰ ব্যৱস্থা
  ২.৪.২ দহদিনীয়া দহা

৩.০ সিদ্ধান্ত
৩.১ উপসংহাৰ
পৰিশিষ্ট
প্ৰসংগ সূত্ৰ
গ্ৰন্থপঞ্জী
তথ্য দাতাৰ তালিকা

## ০.০ অৱতৰণিকা



### ০.১ বিষয়ৰ পৰিচয় :

সোণোৱাল কছাৰীসকল অসমৰ এক ভূমিপুত্ৰ জনজাতি। মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত সোণোৱাল কছাৰীসকল প্ৰাগ ঐতহাসিক কালতেই অসমত প্ৰৱেশ কৰে। এওঁলোকৰ নিজা ভাষা আৰু সংস্কৃতি আছিল। কিন্তু কালক্ৰমত একেলগে বসবাস কৰা অসমীয়া ভাষী সকলৰ লগতে অসমীয়া ভাষাৰে ভাৱ বিনিময় কৰিবলৈ লোৱাত নিজা ভাষা সংস্কৃতি এৰি বৃহৎ অসমীয়া জাতিৰ প্ৰধান অংগ হিচাপে অসমীয়া জাতিক গ্ৰহণ কৰিলে।

হিতেশ্বৰ বৰবৰুৱাই 'আহোমৰ দিন' নামৰ গ্ৰন্থত সোণোৱাল কছাৰীসকলে শদিয়া অঞ্চলত থাকি সোৱণশিৰি নদীৰ সোণ বুটলা কামত নিযুক্তি পাইছিল কাৰণেই এওঁলোকক সোণোৱাল কছাৰী নাম দিয়া বুলি ক'ব খোজে।

শ্ৰী শ্ৰী গগণচন্দ্ৰ সোণোৱালৰ মতে, মূল বৃক্ষ হিচাপে কচাৰীসকল এটা পৰাক্ৰমী আৰু সু-সংগঠিত জাতি আছিল। আদিতে সকলোৰে একগোট হৈ ৰাজপাটত চলাইছিল। এইদৰে থাকোঁতে আহোম ৰজা আৰু ওচৰ-চুবুৰীয়া ৰজাসকলৰ পৰা সঘনাই আক্ৰমণৰ হেঁচা পোৱাত কোনো-কোনোৱে মুলৰপৰা ফাটি আহি অসম উপত্যকাৰ ঠায়ে ঠায়ে বসতি কৰিবলৈ লয়। এনেধৰনেৰে ফাটি অহাৰ ফলতেই মূল কছাৰীৰ পৰা বড়ো কছাৰী, ঠেঙাল কছাৰী, মেছ কছাৰী, লালুং কছাৰী, ৰাভা, ডিমাছা, হাজং , সোণোৱাল কছাৰী আদিৰ সৃষ্টি হয় বুলি অনুমান কৰা হয়।

বৃহৎ কছাৰী জনগোষ্ঠীৰ 'বাদু সোনলায়' বুলি কোৱা ফৈদটোক সোণোৱাল জনগোষ্ঠী বোলা হয়। অসমৰ ডিব্ৰুগড়, যোৰহাট, লক্ষীমপুৰ, শিৱসাগৰ, গোলাঘাট, ধেমাজি আৰু তিনিচুকীয়া জিলাত সোণোৱাল কছাৰীসকল বসবাস কৰি আছে। ইয়াৰ উপৰিও অৰুণাচল আৰু নাগালেণ্ডতো সোণোৱাল কছাৰী লোকৰ বসতি আছে। সোণোৱাল কছাৰী লোকসকল ঘাইকৈ কৃষিজীৱি লোক। এওঁলোক সহজ - সৰল প্ৰকৃতিৰ। কলা-কৃষ্টি, গীত-মাত, ৰীতি-নীতি, সামাজিক পৰম্পৰা আদি সাংস্কৃতিক ক্ষেত্ৰত এই সোণোৱাল কছাৰীসকল অতিকে চহকী।

সোণোৱাল কছাৰীসকল কেৱল ভূমিপুত্ৰ জনজাতিয়েই নহয়, সাংস্কৃতিকভাৱে চহকী এটা জাতি। অসমৰ তৃতীয় বৃহৎ জনগোষ্ঠী সোণোৱাল কছাৰী সকলে নিজা নীতি-নিয়মৰ মাজেৰে বিভিন্ন কাৰ্য্য কৰি আহিছে। সোণোৱাল কছাৰীসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত নীতি-নিয়ম সমূহ কেনেদৰে পালন কৰে সেই সম্পৰ্কে এই প্ৰকল্প খনৰ জৰিয়তে আলোচনা কৰা হৈছে।

### ০.২ অধ্যয়নৰ উদ্দেশ্যে :

কোনো এটা মানৱ জাতিৰ মাজত বছৰ বছৰ ধৰি পৰম্পৰাগতভাৱে চলি অহা কিছুমান নীতি-নিয়ম, ৰুচি-অভিৰুচি, বিশ্বাস-অবিশ্বাস, জ্ঞান-ধৰ্ম, আদিৰ মাজেদি সংস্কৃতি গঢ় লৈ উঠিছে। সংস্কৃতি জাতি এটাৰ সৌন্দৰ্য্যৰ ভূষণ। সংস্কৃতি মানৱ-সৃষ্ট। বাৰেৰহনীয়া সংস্কৃতিৰ মিলনভূমি। এই অসম নামৰ ভূ-খণ্ডত বিভিন্ন জাতি-জনগোষ্ঠীৰ নিজৰ সংস্কৃতি বৰ্তি আছে। সোণোৱাল কছাৰীসকলেও তেওঁলোকৰ জন্ম, বিবাহ

আৰু মৃত্যু সম্পৰ্কীয় অনুষ্ঠানসমূহ বিভিন্ন নীতি-নিয়মৰ মাজেৰে পালন কৰে। তেওঁলোকৰ জন্ম-বিবাহ আৰু মৃত্যুৰ লগত জড়িত বিভিন্ন লোকাচাৰ আৰু পৰম্পৰাসমূহ দাঙি ধৰাই এই প্ৰকল্পখনৰ মূল উদ্দেশ্য।

**০.৩ অধ্যয়নৰ পদ্ধতি:**

প্ৰকল্পখন প্ৰস্তুত কৰোঁতে প্ৰধানকৈ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। প্ৰকল্পখন প্ৰস্তত কৰোঁতে নিতাই-পানীদিহিংৰ জামিৰা অঞ্চলৰ কেইগৰাকীমান মহিলাৰ সহায়ত বিষয়টো সম্পৰ্কে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰা হৈছে আৰু সোণোৱাল কছাৰীসকলৰ পৰিচয় সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ-পুথিৰো সহায় লোৱা হৈছে।

**০.৪ অধ্যয়নৰ পৰিসৰ :**

এই প্ৰকল্পখনৰ জৰিয়তে নিতাই-পানীদিহিংৰ জামিৰা অঞ্চলৰ সোণোৱাল কছাৰীসকলৰ জন্ম, মৃত্যু আৰু বিবাহ সম্পৰ্কীয় নীতি-নিয়ম আৰু তাৰ লগত জড়িত লোকাচাৰসমূহ কেনেদৰে পালন কৰে তাৰ আভাষ দিয়া। সোণোৱাল জনগোষ্ঠীৰ চমু পৰিচয়কে আদি কৰি এই অঞ্চলৰ লোকসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগতে তেওঁলোকে কি কি নীতি-নিয়মেৰে এই কাৰ্য্যসমূহ সম্পাদন কৰে, সকলোবোৰ এই প্ৰকল্পখনত প্ৰস্তুত কৰা হৈছে ।

**০.৫ তথ্য আহৰণৰ উৎস:**

ক্ষেত্ৰ অধ্যয়নৰ বাবে প্ৰধানকৈ নিতাই- পানীদিহিংৰ জামিৰা অঞ্চলৰ লোকসকলক নিৰ্বাচন কৰা হৈছে। তেওঁলোকৰ জন্ম, মৃত্যু আৰু বিবাহ সম্পৰ্কীয় লোকাচাৰসমূহৰ বিষয়ে এই প্ৰকল্পখনৰ জৰিয়তে দাঙি ধৰা হৈছে। তথ্য আহৰণৰ বাবে জামিৰা অঞ্চলৰ লোকসকলৰ উপৰিও বিভিন্ন গ্ৰন্থপঞ্জী, বাতৰিকাকত আৰু ইন্টাৰনেটৰ সহায় লোৱা হৈছে। বৰ্তমান ভোটাৰ তালিকাৰ তথ্য অনুসৰি  জামিৰা অঞ্চলৰ মুঠ জনসংখ্যা প্ৰায় ৬০০ মান পোৱা গৈছে

**০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা:**

সোণোৱাল কছাৰীসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত লোকাচাৰ সম্পৰ্কে যথেষ্ট আলোচনা আছে।

নন্দেশ্বৰ কছাৰীৰ ২০১১ চনত প্ৰকাশ পোৱা 'সোণোৱাল কছাৰীৰ সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয় ' গ্ৰন্থত সোণোৱাল কছাৰীসকলৰ জন্ম, মৃত্যু আৰু বিবাহ সম্পৰ্কীয় লোকাচাৰৰ আলোচনা আছে।

মাধৱজ্যোতি দেউৰী আৰু ৰিপু কছাৰীৰ সম্পাদনাত প্ৰকাশ পোৱা ' অসমৰ মচেংজা ' গ্ৰন্থখনতো সোণোৱাল কছাৰীসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত লোকাচাৰৰ আলোচনা আছে।

## ১.০ অসমৰ সোণোৱাল কছাৰীসকল

### ১.১ সোণোৱাল কছাৰীসকলৰ পৰিচয়:

সোণোৱাল কছাৰী জনগোষ্ঠী লোকসকল সাংস্কৃতিকভাৱে অতি চহকী জাতি। এই ভূমিপুত্ৰসকলৰ পূজা-পাতল , কলা- কৃষ্টি আৰু গীত-মাতক লৈ নিৰ্মাণ কৰা যিবোৰ উমৈহতীয়া ৰীতি-নীতি, সামাজিক পৰম্পৰা, বিশ্বাস, জীৱন-নিৰ্বাহৰ প্ৰণালীয়ে সোণোৱাল কছাৰীসকলক এক কৰি ৰাখিছে।

সোণোৱাল কছাৰীসকলৰ বিভিন্ন উৎসৱ-পাৰ্বনৰ ভিতৰত ব'হাগ বিহু প্ৰধান। বিহুত গাঁৱৰ নামঘৰত আনুষ্ঠানিকভাৱে হুঁচৰি আৰম্ভ কৰি ঘৰে ঘৰে গায়। হুঁচৰি দলটোৱে এডাল দীঘল বাঁহ লৈ যায় আৰু গৃহস্থৰ ঘৰৰ চোতালত তিনিটা খুঁটাৰ ওপৰত ৰাখি বিহু নামৰ তালে তালে বজায়। মাঘ আৰু কাতি বিহুও এওঁলোকে পালন কৰে। সোণোৱাল কছাৰীসকলৰ ধৰ্ম জীৱনৰ ঘাই হৈছে ' খ্ৰীং খ্ৰীং বাইথ' পূজা। তেওঁলোকৰ ধৰ্ম হৈছে বাইথ' ধৰ্ম। খ্ৰীং ৰজা হৈছে তেওঁলোকৰ প্ৰধান ইষ্ট দেৱতা। খ্ৰীং শব্দটোৱে বাইথ' , গজাই, মনাই আৰু ফুলকোঁৱৰ এই চাৰিজন উপাসাৰ সংযুক্ত ৰূপ শক্তিক বুজায়। সোণোৱাল কছাৰীসকলৰ গীত-মাতসমূহৰ ভিতৰত সৰ্বপ্ৰথমে নাম ল'ব লগা গীতটো হৈছে হাইদাং গীত। খ্ৰীং খ্ৰীং বাইথ' পূজাৰ তৃতীয় দিনা হাইদাং গীত, লেছেৰী গীত আৰু নৃত্য, গোঁসাই বা নামঘৰৰ নাম, আইনাম, বিহুগীত, বিয়ানাম আদিৰে সোণোৱাল কছাৰীসকলৰ লোকসাহিত্য ভৰি আছে। গঁজাই থান সোণোৱাল লোকসকলৰ বাবে অতি পবিত্ৰ তীৰ্থস্থান। ডাঙৰী নদীৰ পাৰত লাইন গাঁৱত গঁজাই থান অৱস্থিত। গঁজাইক তেওঁলোকে অগ্ৰগতিৰ গতি স্বৰূপে বিশ্বাস কৰে। জনশ্ৰুতি অনুসৰি গঁজাই গুৰু বা ডাঙৰীয়াঁই বেহা-বেপাৰ কৰাৰ উমানো হুঁচৰি গীতৰ ঘোষা পত্ৰৰ আধাৰত লব পাৰি। এনে বেহা-বেপাৰ কৰাৰ সময়ত ডিব্ৰুগড় জিলাৰ ব্ৰহ্মপুত্ৰ পাৰত যি ঠাইত আশ্ৰয় লৈছিল সেই ঠাইখনকে কালক্ৰমত গঁজাই গাঁও হোৱা বুলি কোৱা হয়।

সোণোৱাল কছাৰীসকলৰ গঢ়-পিত সম্পূৰ্ণ মংগোলীয়। এওঁলোক তাম-বৰণীয়া, চাপৰ, চেপেটা, নাকৰ, দাড়ি-গোঁফ কম আৰু ঠৰঙা চুলিৰ হয়। সোণোৱাল কছাৰীসকলৰ সাতটা খেল বা ফৈদ পোৱা যায়- উজান, কুচীয়া, নামনি কুচীয়া, টিপমীয়া, ঢুলীয়াল, অমৰাবাৰী, চিৰপুৰীয়া, বলিখিতিয়াৰী । গাওঁ পাতি বাস কৰা এই লোকসকল প্ৰধানকৈ কৃষজীৱি। গাওঁখনৰ মূল মানুহজন হ'ল গাঁওবুঢ়া। নামঘৰেই হ'ল গাঁওখনৰ প্ৰাণকেন্দ্ৰ। ইয়াতেই সামাজিক আৰু ধৰ্মীয় বিবাদসমূহ বিচাৰ কৰে। এই লোকসকলেই প্ৰধানকৈ ভাত, মাছ, মাংস আৰু বিভিন্ন শাক-পাচলি খাই। ভাতৰ পৰা বনুৱা মদৰ খুব প্ৰচলন আছিল যদিও বৰ্তমান ইয়াৰ ব্যৱহাৰ কমি আহিছে। শিক্ষা-দীক্ষা, চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য আদিৰ ক্ষেত্ৰত সোণোৱাল কছাৰীসকলে অন্যান্য জাতিৰ লগত সমানে আগবাঢ়ি আহিছে। সংস্কৃতিৰ ক্ষেত্ৰখনতো এওঁলোকৰ সুকীয়া অৱদান আছে।

### ১.২ নিতাই-পানীদিহিংৰ জামিৰা অঞ্চলৰ সোণোৱাল কছাৰীসকল :

শিৱসাগৰ জিলাৰে নিতাই- পানীদিহিংৰ এটা ভিতৰুৱা অঞ্চল হ'ল জামিৰা অঞ্চল। জামিৰা অঞ্চলত বসবাস কৰা লোকসকল প্ৰধানকৈ সোণোৱাল কছাৰী লোক। প্ৰায় ২৭৮ টা পৰিয়ালে সমিলমিলে বাস কৰা গাওঁখনৰ শৈক্ষিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, ক্ৰীয়া আদি দিশত গাওঁখন আগবঢ়া।

প্ৰয়াত দিবাকৰ হাজৰিকা গাওঁখনৰ প্ৰথম স্নাতক, সত্য ডেকাবৰুৱা স্নাতকোত্তৰ। বৰ্তমান উচ্চ-উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ধাৰাবাহিকভাৱে প্ৰথম বিভাগত উত্তীৰ্ণ শিক্ষাৰ্থীসকলে গাওঁখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। স্নাতক-স্নাতকোত্তৰ ডিগ্ৰীধাৰীও গাওঁখনত বৰ্তমান কম হৈ থকা নাই।

## ২.০ নিতাই-পানীদিহিংৰ জামিৰা অঞ্চলৰ সোণোৱাল কছাৰীসকলৰ লোকাচাৰ

### ২.১ সংস্কৃতিৰ উপাদানস্বৰূপে লোকাচাৰ :

একোটা জনগোষ্ঠীৰ লোকচাৰ গঢ় লৈ উঠে লোকবিশ্বাসৰ পটভূমিত। সেইবুলি লোকবিশ্বাসকে লোকাচাৰ বুলিব নোৱাৰি। এজন ব্যক্তিয়ে আচাৰ- ব্যৱহাৰৰ শিক্ষা গ্ৰহণ কৰে, জ্যেষ্ঠ ব্যক্তি,পৰিয়াল আৰু সমাজখনৰ পৰা। সমাজত প্ৰজন্ম অনুসৰি লোকাচাৰখিনি বাগৰি বাগৰি আহি থাকে। আটাইবোৰ লোকাচাৰৰ মূল ভিত্তি লোকবিশ্বাস নহয়। মানুহে সামাজিক সংস্কাৰৰ বাবে পৰম্পৰাগত ৰীতি-নীতি আৰু পদ্ধতিৰে কিছুমান কৰ্ম কৰিব লগা হয়। এনে কৰ্মৰ জৰিয়তে যি ধৰণৰ আচৰণ ফুটি উঠে তেনে আচৰণসমূহকে লোকাচাৰ বুলিব পাৰি। এইদৰে ফুটি উঠা লোকাচাৰসমূহ এজন ব্যক্তিৰ জীৱনৰ মাজেদিও প্ৰকাশ পাব পাৰে। এজন ব্যক্তিৰ কৰ্মৰ মাজেৰে প্ৰকাশ পালেই সেইআচৰণে সমষ্টিগত জীৱনাদৰ্শ প্ৰকাশ কৰে।

পৰম্পৰাগত জীৱন প্ৰক্ৰিয়াত ফুটি উঠে লোকাচাৰ । ব্যক্তিগত জীৱন আৰু সমাজ জীৱন উভয়ৰ লগতে কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি - নীতি পৰম্পৰাগতভাৱে সকলো জনগোষ্ঠীয়েই পালন কৰে। লোকাচাৰৰ পৰিচয় ফুটি উঠে সাধাৰণতে ৰাজহুৱা জীৱন আৰু কৰ্ম, উৎসৱ-পাৰ্বন, পূজা-উপাসনা আদিৰ জৰিয়তে। লোকাচাৰৰ লগত ধৰ্মীয় আৰু ধৰ্ম নিৰপেক্ষ দুয়োটা দিশেই জড়িত হৈ থাকে।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন ধৰণেৰে নিজা পৰম্পৰাৰে উৎসৱ-অনুষ্ঠানৰ প্ৰচলন হৈ আহিছে। মানৱ জীৱনত জন্মৰ পৰা মৃত্যু পৰ্যন্ত অনেক উৎসৱ-অনুষ্ঠানে আৱৰি থাকে। জন্ম, মৃত্যু বিবাহৰ লগত জড়িত কৰি বিভিন্ন জনগোষ্ঠীয়ে বেলেগ বেলেগ উৎসৱ-অনুষ্ঠানৰ আয়োজন কৰি আহিছে আৰু এইবোৰৰ লগত বিভিন্ন লোকাচাৰ পৰম্পৰা ফুটি উঠিছে। নিতাই-পানীদিহিংৰ জামিৰা অঞ্চলত বাস কৰা সোণোৱাল কছাৰীসকলেও তেওঁলোকৰ জন্ম, মৃত্যু আৰু বিবাহ সম্পৰ্কত বিভিন্ন লোকাচাৰ বা নীতি-নিয়ম পালন কৰে।

### ২.২ জন্ম সম্পৰ্কীয় লোকাচাৰ :

বিশ্বৰ সকলো জাতিৰ মাজতে জন্মৰ লগত জড়িত কিছুমান পালনীয় আচাৰ-নীতি জড়িত হৈ আছে। সেইদৰে সোণোৱাল কছাৰীসকলেও তেওঁলোকৰ জন্ম সম্পৰ্কত বিভিন্ন নীতি-নিয়ম আৰু লোকাচাৰ পালন কৰে। জন্মৰ আচাৰ-নীতিৰ ক্ষেত্ৰত সোণোৱালসকলৰ মাজত উল্লেখনীয় হ'ল বোৱাৰী গৰাকী মাতৃ হবলৈ আগবঢ়াৰ পৰাই ঘৰখনৰ মানুহৰ প্ৰধানকৈ শাহু গৰাকীৰ দায়িত্ব বাঢ়ে। বিভিন্ন প্ৰতিবিধানে বোৱাৰীগৰাকীক সাৱধান কৰি দিয়া হয়। পত্নীৰ গৰ্ভস্থ অৱস্থাত স্বামীক জীৱ হত্যা কৰিবলৈ বাধা দিয়া হয়। জীৱ হত্যা কৰিলে যি জীৱ হত্যা কৰে, সন্তানে তেনে প্ৰকৃতিৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ কৰে বুলি এই জামিৰা অঞ্চলৰ লোকসকলে বিশ্বাস কৰে। শৱ দাহ কৰা , কোৰ, কুঠাৰ, দা আদিৰ নাল লগোৱাত বাধা দিয়া হয় । তেনে কৰিলে প্ৰসৱৰ সময়ত তিৰোতাগৰাকীয়ে অধিক যাতনা পাই বুলি কোৱা

হয়। সন্ধ্যা বেলা মুনি-চুনি , দেৱ-দেৱতাই ফুৰে আৰু তেনে অৱস্থাৰ তিৰোতাৰ ওপৰত অধিক নজৰ পৰে বুলি এই অঞ্চলৰ লোকে বিশ্বাস কৰে।

কেঁচুৱা জন্ম হোৱাৰ পাছত এই অঞ্চলৰ লোকসকলে ঘৰৰ চাৰিবেৰৰ পৰা প্ৰধানকৈ কোঠাত যাতে কোনো অপদেৱতাই প্ৰবেশ কৰিব নোৱাৰে তাৰ বাবে দুৱাৰত ভঙা বাঁচ, ফটা জাল, চিৰি মাৰি, বচ, নহৰু আদি আঁৰি দিয়ে। কোঠা এটা চুকত একুৰা জুই জ্বলাই আৰু ভূত-প্ৰেতৰ পৰা ৰক্ষা পাবৰ বাবে সৰিয়হৰ গুটি জ্বলাই ৰাখে। কেঁচুৱাৰ 'নাই ' সৰিলে সযত্নে বান্ধি সৰু টেমাত ৰাখি থোৱাৰ নিয়ম এই অঞ্চলৰ সোণোৱালসকলৰো আছে। জন্মৰ তিনিদিনৰ পিছত কঁচুশাক বা অমিতা, জালুক দি ৰান্ধি মাকক খাবলৈ দিয়ে। এই জাল খুৱালে মাকৰ গা শুকাই বুলি বিশ্বাস কৰে।

জন্মৰ সংস্কাৰ হিচাপে কেঁচুৱা 'নাই' সৰাৰ পিছত বাজ ওলোৱা হয় । সেইদিনা ঘৰৰ কাপোৰ-কানি ধুই, ঘৰ মচি গা-পা ধুই মাটি খাই শুদ্ধ হয়। জন্ম সংস্কাৰৰ দ্বিতীয় স্তৰ হৈছে শুচি বা সুদি সবাহ । এই অঞ্চলৰ সোণোৱালসকলৰ ল'ৰা সন্তান জন্ম হ'লে এঁকৈশ দিনত আৰু ছোৱালী সন্তান জন্ম হ'লে এমাহত সুদি পাতে। সুদি নোহোৱালৈকে সন্তানৰ বাপেকে কোনো ৰাজহুৱা সামাজিক কামত অংশগ্ৰহণ কৰিব নোৱাৰে। এই শুচি বা সুস্থিত তেওঁলোকে কেঁচুৱাৰ চুলি খুৰাই পেলাই। পূৰ্বতে ঘৰৰ আগফালৰ বেৰত কেঁচা গোবৰ এচপৰা লগাই তাতে কেঁচুৱাৰ চুলি কেইডালমান দুবৰিবন আৰু এটা পাতি পইচা লগাই থৈছিল। ইয়াৰ উপৰিও ল'ৰা সন্তান জন্ম হ'লে ধনু-কাঁড় এপাত আঁৰি দিয়াৰ ব্যৱস্থা আছিল। কিন্তু বৰ্তমান এই অঞ্চলৰ সোণোৱালসকলৰ মাজত এইবোৰ লোকাচাৰ দেখা পাবলৈ নাই। হয়টো নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱৰ ফলত নতুবা ওচৰ-চুবুৰীয়া অন্যান্য জাতি-জনজাতিৰ নীতি-নিয়মৰ প্ৰভাৱ পৰিছে।

কেঁচুৱা জন্মৰ কেইদিনমানৰ পাছত এই লোকসকলে মংগলতি বা কোনোবা জ্যোতিষীৰ দ্বাৰা মঙ্গল চোৱায় । জ্যোতিষ গণনানুসৰি দিন, নক্ষত্ৰ জন্ম-লগ্নত কিবা বিৰূপ হ'লে ইয়াৰ প্ৰতিবিধান অনুসৰি শুচিৰ দিনাই নাম-প্ৰসঙ্গ বা সবহুৱা কীৰ্তন পাতি অন্ন, জল আদিৰ ভোজন কৰোৱাই। গ্ৰহ দোষৰ কিবা দান দিব লগা থাকিলে সেইদিনাই ভকত বৈষ্ণৱক দিয়াৰ ব্যৱস্থা কৰে। শুচিৰ দিনা বন্তি এগছি জ্বলাই ফলি-পুথি আগত ৰাখি নৱজাতকক চুবলৈ দিয়া হয়। যদি কলম বা কিতাপ চুৱে তেতিয়াহলে তেওঁক পঢ়া-শুনাত ভাল হ'ব বুলি এই লোকসকলৰ মাজতো বিশ্বাস আছে। এইধৰনেৰে এই জামিৰা অঞ্চলৰ লোকসকলে তেওঁলোকৰ জন্ম সম্পৰ্কীয় লোকাচাৰসমূহ পালন কৰে।

**২.৩ বিবাহ সম্পৰ্কীয় লোকাচাৰ :**

অনান্য জাতি - জনজাতিৰ দৰে সোণোৱাল কছাৰী সমাজতো উলহ- মালহেৰে বিবাহ অনুষ্ঠান অনুষ্ঠিত কৰা দেখা যায়। বিবাহ হৈছে মাঙ্গলিক কাৰ্য । ই জীৱনৰ অন্যতম অংগ । সোণোৱাল কছাৰী সমাজতো বিবাহ কাৰ্য সম্পাদন কৰা ক্ষেত্ৰত বহুতোসাৱধানতা অৱলম্বন কৰা হয় । এই জামিৰা অঞ্চলৰ সোণোৱাল সকলে বিয়া এখন অনুষ্ঠিত কৰা সময়ত কন্যা ঘৰ বা দৰা ঘৰতেই হওক সন্তান জন্ম হ'লে বা কোনো ব্যক্তিৰ মৃত্যু হ'লে , তেনে অশুচি অৱস্থাত বিবাহ অনুষ্ঠান নকৰি পিছুৱাই দিয়ে। এই লোকসকলৰ মাজতো একে বংশ পৰিয়ালৰ লোকৰ মাজত বিবাহ অনুষ্ঠিত কৰাটো সম্পূৰ্ণ নীতি বিৰোধী বুলি গণ্য কৰা হয়।

এই লোকসকলৰ মাজত প্ৰধানকৈ দুটা পদ্ধতিৰ বিবাহ দেখা পোৱা যায়।

Head of the Department
H.C.D.G. College
Nitaipukhuri, Sivasagar

এক হ'ল কন্যা কালৰ বিবাহ বা তোলনী বিয়া আৰু আন বিধ হল বৰ বিয়া। এই দুয়োবিধ বিয়া এই অঞ্চলৰ সোণোৱাল সকলে কেনেদৰে পালন কৰে তাৰ সম্যক আলোচনা দাঙি ধৰিবলৈ যত্ন কৰা হ'ল।

**২.৩.১ তোলনী বিয়া :**

সংস্কৃতিৰ পথাৰত তোলনী বিয়া এক উল্লেখনীয় ভূমিকা আছে। তোলনী বিয়াত এজনী ছোৱালী কিশোৰী অৱস্থাৰ পৰা পুষ্পিতা হোৱা লগে লগে বিভিন্ন নীতি - নিয়মৰ মাজেৰে পৰম্পৰাগভাৱে পালন কৰা হয়। জামিৰা অঞ্চলৰ সোণোৱাল সকলেও বিভিন্ন নীতি- নিয়মেৰে তোলনী বিয়া পালন কৰে। পুষ্পিতা হোৱা বুলি ঘৰখনৰ মহিলা সকলে গম পোৱা লগে লগে প্ৰতিৱেশী দুই তিনি গৰাকী বৃদ্ধা বা মহিলা আৰু গাভৰুক আমন্ত্ৰন কৰি আনি পুৰুষ মানুহে নেদেখাকৈ এটা তামোল - পাণ আৰু এগছি বন্তি জ্বলাই চুকত ৰাখে। মঙ্গলতিৰ ওচৰত মঙ্গল চোৱাই বিধিমতে ক্ষণ- নক্ষত্ৰ ,দিন-বাৰ ,কি যুগ পৰিছে, বিয়া ন- দিনীয়া নে এঘাৰ দিনীয়া , পোন্ধৰ দিনীয়া আদি নিৰিখত বিয়া দিন ধাৰ্য্য কৰি দান - দক্ষিণা নিয়ামুৰি আদিৰ বিধান দিয়ে। এইদৰে তিনিদিন চুকত ৰাখে। আজিকালি সময় পৰিবৰ্তনৰ লগে লগে বিছনাতে থাকিবলৈ দিয়া দেখা যায়। কন্যা গৰাকীক ফল - মূল জাতীয় কেঁচা জাতীয় খাদ্য খাবলৈ দিয়ে। সৰু সৰু ছোৱালীবোৰ কন্যা ৰখিবলৈ আহে। তিনিদিনৰ দিনা কন্যাৰ মূৰত তেল দিয়া হয়। এইদৰে তিনিদিন ৰখাৰ পাছত চাৰিদিনৰ দিনা চাৰিদিনিয়া গা ধুওৱা হয়। চাৰিদিনৰ দিনা গা ধুৱাওঁতে ইকৰা, পাতিদৈ আৰু সহজতে জী উঠা গছেৰে বেইৰ আকৃতি সজা এই অঞ্চলৰ সোণোৱাল সকলৰ মাজত দেখা যায়। চাৰিদিনৰ দিনা এনেদৰে গা-ধোৱাই চাৰিদিনিয়া নিয়ম পালন কৰে। ওচৰ - চুবুৰীয়া লগ হৈ তামুলী পিৰাত গা ধোৱাই। কইনা ৰখা কোঠাটোত এগছি মিঠাতেলৰ চাকি জ্বলাই দুলনীত চাউল, এটা ঘটিত আমৰ ডালি, সেন্দুৰ ফোঁট আৰু ঘটিৰ ডিঙিত এৰাসূতা মেৰিয়াই দিয়ে। আনহাতে চাউলৰ দুলনীত এখন গামোচা বা এডাল ঠালতে লাগি থকা কেঁচা তামোল বা দুবৰি বন কেইডালমান, আৰৈ চাউল আৰু তামোলৰ আঙনিত সোণ আৰু পোৱালমণি এধাৰি পিন্ধাই 'কনাই' নামৰ টোপোলা বান্ধে। চাৰিদিনৰ পৰা কইনাই এসজীয়া ভাত খাই থাকিব লাগে আৰু গাভৰু সকলে বিয়া মতা , দুৱাৰ দলিত আমদালি গথা নিয়ম এই অঞ্চলৰ লোকৰ মাজতো দেখা যায়।

তোলনী বিয়া এজনী ছোৱালী যৌৱন প্ৰাপ্ত হোৱা সংকেত। সেয়েহে তোলনী বিয়াত সন্তানৰ প্ৰতীক 'কনাইক' কইনাৰ কোলাত দিয়া হয়। আয়তীসকলে কইনাক কোলাত লৈ চুমা খাই কইনা জনীক দিয়ে আৰু কইনাজনীয়েও ওলোটাই মাক আৰু আয়তী সকলৰ লগত সলনা- সলনি কৈ লয়। বিয়া উঠাৰ আগদিনা এই অঞ্চলৰ সোণোৱাল মহিলা গাভৰু আটাইয়ে মিলি আখৈ খোলা পাতি আখৈ ভাজে। গধূলিলৈ কইনা মূৰত তেল দিয়ে। বিয়া দিনা কইনাক গা - ধুৱাবৰ বাবে মহিলাসকলে পানী তুলিবলৈ যায় আৰু লগতে মাক আৰু দুলনি - কলছচী ধৰিবলৈ কুমাৰী ছোৱালীও যায়। পানী তোলা ঠাইত মাটিৰ সৰু সৰু তিনিটা ঢিপ সাজি খৰিকা দি এৰাঁসূতা মেৰিয়াই দিয়ে আৰু তামোল পান এযোৰ আগ কৰি পানী কটা হয়। কলচী ধৰা গৰাকীয়ে নৈ পৰা কলহত পানী ভৰাই ঘৰমুৱা হয় আৰু আয়তিসকলে বিয়া নাম গায়। কইনাজনীৰ বিয়া দিনা বেইঘৰ সাজে। কলপটুৱা , বাঁহ ,কলডিল , আদিৰে এই লোকসকলেও ধুনীয়াকৈ বেইঘৰ সাজে। চাৰিটা খুটাৰ চাৰিচুকে পইচা দিয়ে। কইনাজনীক বেই তললৈ আনি তামুলী পিৰাত বহাই খাৰপানী , মাহপানীৰে মূৰ ধুৱাই ,মাহ - হালধিৰে নোৱাই-ধোৱাই আয়তিসকলে জাউৰীয়ে-জাউৰীয়ে বিয়ানাম গায়। কলপুলিৰ প্ৰতীকৰূপী এটা দ'ৰা সাজে বেইতে। কইনাজনীক তিতা-তিয়নিৰ

Nitaiya Nirali, Sivasagar

মা'হ-হালধিৰে সোঁহাতে মাহ আৰু বাওঁহাতে হালধি লৈ আঁঠু কাঢ়ি কলপুলিটোৰ গাত তলৰ পৰা ওপৰলৈ তিনিচোচা মাৰি আয়তীৰ উৰুলিৰ লগে লগে পানী একলহ ঢালি আগদিনা ভাজি থোৱা আখৈ এমুঠি আৰু পুৱাতে খুন্দি দিয়া পিঠাগুড়ি দুয়োখন হাতে কলপুলিটোৰ গুৰিত দি সেৱা কৰে। নোৱাই -ধোৱাই হোৱাৰ পিছত কইনাই বেইৰ তলতে থুৰীয়া তামোল উকলিয়াই দিয়া নিয়ম এই জামিৰা অঞ্চলৰ সোণোৱাল কছাৰী সকলৰ মাজতো আছে । তাৰ পাছত কইনাক ডাংকোলা কৰি ৰভাৰ  তললৈ আনে আৰু মঙ্গলতিয়ে উল্লেখ কৰা ৰঙৰ কাপোৰ পিন্ধাই । ৰভাৰ তলত আখৈ , পিঠা - গুৰি আদিৰে শৰাই সজায় । তাৰ পাছত কইনাৰ মূৰ আচুৰি কপালত সেন্দুৰ ফোঁট দিয়ে আৰু ছোৱালী জনীক এসাজ নতুন কাপোৰে সজাই । তাৰ পাছত কইনা ৰভা তলৰ পৰা উঠে । পূৰ্বতে এই বিয়াত মতা মানুহ যোৱা নিষিদ্ধ আছিল ।কিন্তু বৰ্তমানে এই ব্যৱহাৰ পৰিবৰ্তন  হ'ল ।

কইনাৰ কৰণীয় কাম কাজ বোৰ সম্পূৰ্ণ কৰি বিবাহিত উপস্থিত থকা সকলো লোকক ভাত, মাছ - মাংস খুৱাই । দিনৰ ভাগত বিয়া খনত কাম কাজ কৰি সহায় কৰা বাবে গাঁও ছোৱালীবোৰে মিলি এটা ভোজ খোৱাৰ নিয়ম এই অঞ্চলত দেখা যায়। যদি কইনাৰ ব্ৰত থাকে তেন্তে কইনাক নিৰামিখ ভাত খাবলৈ দিয়ে । বিয়া শেষ হোৱা পাছত দুলনী ধৰা ছোৱালী জনীক বস্ত্ৰ উপহাৰ দিয়ে । এনেদৰে শেষত সমাজৰ আশীৰ্বাদ লৈ তোলনী বিয়া কাৰ্য সম্পাদন হয় ।

জামিৰা অঞ্চলত তোলনি বিয়াত প্ৰচলিত বিয়ানামসমূহ এনেধৰণৰ -

### ক) নোৱাই তোলনি বিয়ানাম :

উৰুলি

অ' মাজনী মাৰাই মাতিছে নামতা কিয়
নামতো মাক মই, মাৰ গাত দোষ
চাৰিদিন লঘোনত ৰাখিছে মোক
এই চাৰিদিনত বৰ কষ্ট পালো
বাল্য কাল হেৰুৱাই যৌৱনকাল পালো ।।

### খ) পানী তুলিবলৈ যোৱা নাম :

অ' ৰাম পানী তুলিবলৈ
অ'ৰাম ওলাইছে দৈৱকী
ৰাম ৰাম কাষতে কলচি লৈ
অ'ৰাম ৰিণিকি ৰিণিকি
অ' ৰাম দেখিছো যমুনা
ৰাম ৰাম বৈ আছে কদমৰ তলে ।

লাই হালে- জ্বালে ফুল-চন্দন তুলসী
আবেলি বতাহে ফুল চন্দন তুলসী
লফা হালে –জ্বালে
ফুল চন্দন তুলসী
ভৰিল নে নভৰিল ৰাধা তোমাৰ কলচি ।।

**(গ) পানী তুলি ওভতোতে গোৱা নাম :**

পানী তুলি ৰাধা , পাছলৈ নাচাবা
সাগৰো আহিব ভৰি হে ,
সাগৰো ভৰিব , জগৰো লাগিব
নিবহি ৰাইজক ধৰি হে ।

**(ঘ) বেই তলত গোৱা নাম :**

বেই পাই ঘুৰিলা, পিৰা পাই বহিলা
ঐ ৰাম পাত পাই মেলিলা ভৰি হে

**( ঙ) ৰভা তলত গোৱা নাম :**

আম ডালি গাঠিলোঁ, দৰ্জা মুখত আঁৰিলো
কইনাৰে ভনীয়েকক সমাজলৈ মাতিছোঁ
সমাজলৈ আহিবা, সুদাহাতে নাহিবা
আমালৈ বুলি মৰ্টন
শৰাই ভৰাই আনিবা ।

এইদৰে জামিৰা অঞ্চলৰ সোণোৱাল সকলে তোলনি বিয়াত বিভিন্ন নীতি - নিয়ম আৰু মঙ্গল উৰুলি দি বিয়ানামেৰে বিবাহ সম্পন্ন কৰে ।

**২.৩.২ বৰবিয়া :**

ব্ৰাহ্ম বিবাহৰ সমপৰ্যায়ৰ 'বৰবিয়া' সোণোৱাল কছাৰীসকলৰ সবাতোকৈ শ্ৰেষ্ঠ বিবাহ ব্যৱস্থা । কন্যা পিতৃ - মাতৃয়ে এজন সুযোগ্য পুৰুষ বা যুৱকক নিজ কন্যাৰ বাবে নিৰ্বাচন কৰে । সোণোৱাল সমাজৰ বিবাহ প্ৰসংগত দেখা যায় যে যদি সমাজ বিৰোধী আচৰন হয়- একে বংশ পৰিয়ালৰ ডেকা গাভৰু মাজত বিবাহ সম্পন্ন হব নোৱাৰে । জামিৰা অঞ্চলত এই ধৰণৰ নীতি - নিয়ম দেখা যায় ।

সোণোৱালসকলৰ বৰ বিয়া প্ৰকাৰ এনেদৰে পোৱা যায় -

ক) নোৱাই-ধোৱাই দিয়া বৰবিয়া ।

খ) অনুষ্টুপীয়া অথবা ৰভা সৰকাই দিয়া বৰবিয়া।

গ) গন্ধৰ্ব বিবাহ বা পলুৱাই নিয়া বিয়া ।

**২.৩.২.১ নোৱাই- ধোৱাই দিয়া বৰবিয়া :**

'বৰ বিয়া'সোণোৱালসকলৰ শ্ৰেষ্ঠ বিবাহ। বৰ বিয়াত দৰা ঘৰে কইনা ঘৰৰ আৰু কইনা ঘৰে দৰা ঘৰৰ গুণগত সকলো দিশ চালি - জাৰি চাই সন্মতি প্ৰদান কৰে। তাৰ পাছত সামাজিক ব্যৱস্থা অনুসৰি দিন- বাৰ চাই বিবাহ কাৰ্য সম্পূৰ্ণ কৰাৰ নিয়ম জামিৰা অঞ্চলৰ সোণোৱাল সকলৰ মাজতো দেখা যায়। আঙঠি পিন্ধোৱাৰ নিয়মো এই লোকৰ মাজত দেখা যায়। বিয়াৰ আগদিনা কইনাৰ ঘৰলৈ দৰাঘৰীয়াই জোৰোণ আনি গাঁৱৰ ৰাইজক তামোল- পাণৰ শৰাই আগবঢ়াই যাৱতীয় আ-অলংকাৰ কইনাৰ ঘৰত দিয়ে। আ-অলংকাৰ পিন্ধি কইনাই পিতৃ-মাতৃ আৰু সমজুৱাৰ আগত আঁঠু লোৱা নিয়ম এই অঞ্চলৰ লোকৰ মাজত দেখা যায়।

আনুষ্ঠানিকভাৱে পানী তোলে। এই বিয়াত তোলনী বিয়াৰ নিয়মেৰে এই অঞ্চলৰ লোকে পানী তোলে। বেইৰ তলত দৰা বা কইনাক গা -ধোৱাই। মাহ-হালধিৰে দৰা বা কইনাক বেই গা-ধোৱাই বেইত সাতপাক ঘূৰাই। এগৰাকী আত্মীয়ই দৰা বা কইনাক বেইৰ তলৰ পৰা দাঙি আনি সজাই থোৱা মৰলৰ সন্মুখত বহুৱাই আৰু ঘৰৰ মাতৃ স্থানীয় লোকে এখন তামোল-পাণৰ শৰাই লৈ দৰা বা কইনাক সজাবলৈ আয়তীসকলক অনুৰোধ জনায়। আৰু বিয়া নাম জাউৰিয়ে জাউৰিয়ে পৰিৱেশন কৰা দেখা যায়।

নীতি-নিয়মৰ মাজেৰে দৰা - ঘৰৰ পৰা দৰাৰ লগত কইনাঘৰলৈ মানুহ যায় আৰু কইনা খোজে। দৰা পক্ষ আৰু কইনা পক্ষৰ আয়তীসকলে দৰা- কইনাৰ জীৱনৰ পাতনি মেলাৰ প্ৰাক সময়ৰ কথা সোঁৱৰাই দিয়ে। ভকতসকলে নাম- প্ৰসংগৰ জৰিয়তে দৰা-কইনাক হৰ- গৌৰীৰ বসতি হওক বুলি আৰ্শীবাদ দিয়ে। এনেদৰে বিয়াখন সম্পন্ন হয়।

কইনা উলিয়াই দিওঁতে কইনাই পিছলৈ ঘূৰি চাব নাপায় বুলি এই অঞ্চলৰ লোকৰ মাজত লোকবিশ্বাস আছে। ছোৱালীৰ লগত যৌতুকৰ কোনো দাবী নাই। কইনা - দৰাৰ ঘৰ পোৱাৰ লগে লগে দৰা ভনীয়েকে এখন পীৰাৰ ওপৰত ভৰি ধোৱাই। তাৰ পাছত লখিমী ভঁৰাল, গোঁসাই ঘৰত সেৱা কৰোৱাই । পাছত মাক-দেউতাকক সেৱা কৰে আৰু সম্বন্ধীয় জ্যেষ্ঠসকলক দৰা- কইনাই সেৱা জনাই। এনেদৰে উলহ- মালহেৰে নোৱাই -ধোৱাই দিয়া অৰ্থাৎ বৰবিয়া সম্পন্ন হয়।

**২.৩.২.২ অনুষ্টুপীয়া অৰ্থাৎ ৰভা সৰকাই দিয়া বিয়া :**

গাঁৱলীয়া সমাজত বিবাহক স্বীকৃতি দিবৰ বাবে কম উপাৰ্জনক্ষম সোণোৱাল লোকসকলে আনুষ্ঠানিকভাৱে বিবাহ কাৰ্য সমাধা কৰে। এই বিলাকত দৰা - কইনাক এসাজ ভালকৈ খুৱাই ভকতৰ আশীৰ্বাদৰ জৰিয়তে বৈবাহিক জীৱনৰ সামাজিক স্বীকৃতি89318: দিয়ে। এই বিয়াতো দৰাৰ

ভনীয়েকে কইনাক ভৰি ধুৱাই আদৰৰ নিয়ম আছে। অন্য বিয়াৰ দৰে ইয়াত নীতি - নিয়ম পালন কৰে। বিশেষকৈ জামিৰা অঞ্চলৰ সোণোৱাল সকলৰ মাজত এই বিবাহৰ প্ৰচলনেই দেখা যায়।

**২.৩.২.৩ গন্ধৰ্ব বিবাহ বা পলুৱাই নিয়া বিবাহ :**

গন্ধৰ্ব বিবাহ বা পলুৱাই নিয়া বিয়াত ল'ৰা - ছোৱালীৰ মনৰ মিলন হ'লে ঘৰৰ অমতত এই বিবাহ সম্পন্ন হয়। ল'ৰাই - ছোৱালীক কইনাৰূপে ঘৰলৈ নিয়ে। এই বিয়াতো দৰা- ঘৰৰ মানুহে পদূলিমুখৰ পৰা কইনাক আদৰি অনা দেখা যায়। হাঁহি - আনন্দেৰে কইনাক সেন্দুৰ দিয়ে। পিতৃ - মাতৃ আৰু বয়োজ্যেষ্ঠজনক সেৱা কৰে। যুগ্ম জীৱন সুন্দৰ হবৰ বাবে আশীৰ্বাদ দিয়ে। ডেকা - গাভৰুসকলে ভোজ-ভাত খাই আনন্দ কৰে। কইনা অনা তিনিদিনৰ পিছত দৰা পক্ষৰ আত্মীয় - স্বজন উপস্থিত হৈ চোৰ দেখা দিয়াৰ নিয়ম আৰু তাৰ পাছত জগৰ মৰাৰ ব্যৱস্থা কৰা দেখা যায়। এই জামিৰা অঞ্চলৰ সোণোৱালসকলৰ মাজত এনেদৰে পলুৱাই নিয়া বিবাহ সম্পন্ন হয় ।

সকলোবোৰ বিয়াতে এই অঞ্চলত ঘৰ উঠা পৰ্বতটো দেখা যায় ।

**২.৩.২.৪ ঘৰ উঠা :**

'ঘৰ উঠা ' বিয়াৰ পিছত এটা এৰাব নোৱাৰা পৰ্ব। বিশেষকৈ ঘৰ উঠা পৰ্বটো জ্ঞাতি- কুতুম্বক চিনাকি কৰোৱাৰ বাবেই পতা হয়। ইয়াত ভূজ- ভাত খোৱাৰ দিহা কৰা হয়। মান্য জনক মাননি আৰু বস্ত্ৰ প্ৰদান কৰা হয়। সামৰ্থ্য অনুযায়ী ছোৱালীজনীক প্ৰয়োজনীয় আচবাব লগত দিয়ে। আত্মীয় - স্বজনে দৰা-কইনাক সামৰ্থ্য অনুযায়ী উপহাৰ প্ৰদান কৰে। এইদৰে এই অঞ্চলৰ লোকসকলেও ' ঘৰ উঠা ' পৰ্ব সম্পন্ন কৰে।

তোলনি বিয়াৰ দৰে বৰ বিয়াতো এই অঞ্চলত কিছুমান বিয়া - নাম গোৱা হয় -

**ক) পানী তুলিবলৈ যোৱা নাম** :

ৰাম কৃষ্ণ দূৰকৈ পুখুৰী
ৰাম কৃষ্ণ খন্দালা দেউতা
হৰি মোৰ ঐ
ভৰিৰে বিষালে গাঁঠি।।

Head of Dept. Assamese
M.S.D.College
[illegible]

**খ) পানী তুলি ওভতি আহোতে গোৱা নাম :**

ৰাম কৃষ্ণ জল লৈ যশোদা
ৰাম কৃষ্ণ উলটি নাচাবা
হৰি মোৰ ঐ
সাগৰো আহিব ভাগি।।

**গ) কইনা নোৱাবলৈ অনা নাম :**

ওলাই আহা আইদেউৰে, অ' শশী
দুৱাৰ ডলিৰ বাজ
ঘৰতে নোৱাব লাগে, অ' শশী
নকৰিবা লাজ ।।

**ঘ) যোৰা নাম** :

সৰু সৰু চৰাইবোৰে ফৰিং ধৰি খায়
কোমল কইনা বিচাৰোঁতে ডাড়ি পকি যায়।।

**ঙ) আয়তীসকলে কইনাক দিয়া উপদেশমূলক নাম :**

আকাশত বগালে আকাশী লতা
শুনাচোন আইদেউ কেইটামান কথা,
পুৱতি নিশাতে উঠিবা শুই
বাহি- বন কৰিয়েই ধৰিবা জুই ।।

**চ) জোৰোণৰ নাম :**

মাৰাৰ অলংকাৰ থোৱা কাটি কৰি
ঐ ৰাম দেউতাৰ অলংকাৰ থোৱা হে,
ৰামে দি পঠাইছে সুবৰ্ণ অলংকাৰ
ঐ ৰাম হাতে জোৰে কৰি লোৱা হে।।

**ছ) বিদায় মূহুৰ্ত গোৱা নাম :**

হাতত পাণ বঁটা লৈ
মা- দেউতাক মাতাগৈ ,
যাবৰে সময়ত সেৱা হে কৰাগৈ।
যাবলৈ মই ওলালোঁ
যাবৰে সময়ত সেৱাহে জনালোঁ।।

বিবাহ অসমীয়া সমাজৰ আনন্দমূলক উৎসৱ। এনেদৰে জামিৰা অঞ্চলৰ সোণোৱালসকলে বিবাহ অনুষ্ঠান পালন কৰে আৰু বিয়া নাম পৰিৱেশন কৰে।

**২.৪ মৃত্যু সম্পৰ্কীয় লোকাচাৰ :**

জীৱ জগতৰ সবাটোতকৈ প্ৰয়োজনীয় কথাটোৱে হ'ল জন্মৰ পিছতে মৰণ । এদিন এই পৃথিৱীত জন্ম গ্ৰহণ কৰি নিয়তিৰ বিধান অনুসৰি মৃত্যুক সাৱটি ল'বই লাগিব। জন্মৰ সময়ত যিদৰে বিভিন্ন আচাৰ- ৰীতি পালন কৰা হয়, সেইদৰে মৃত্যুৰ সময়তো অনেক ৰীতি-নীতি মানি চলা হয়। সোণোৱাল কছাৰীসকলৰ মাজতো মৃত্যু সম্পৰ্কত বহুতো ৰীতি-নীতি পালন কৰা দেখা যায়। জামিৰা অঞ্চলৰ সোণোৱাল কছাৰীসকলৰ মৃত্যু সম্পৰ্কত মানি চলা এটা লোকাচাৰ হৈছে - সাধাৰণতে সামাজিক নিয়মানুসৰি বৰঘৰত মৰিবলৈ দিয়া নহয়। মৃত্যুৰ অন্তিম সময় উপস্থিত বুলি গম পালে মাৰল বা মৰাঘৰলৈ উলিয়াই আনে। বৰঘৰত মৰিলে অশুচি হয় বুলি এই অঞ্চলৰ লোকসকলে বিশ্বাস কৰে। মৃতদেহৰ শটো মচি বা পানী ছটিয়াই এখন ঢাৰিৰ ওপৰত ৰাখে আৰু মৃতকৰ মূৰৰফালে ধূপ-ধূনা আৰু এগছি বন্তি জ্বলাই ৰাখে। শটো শুদ্ধ বগা কাপোৰেৰে ঢাকি থয়। শটো চাঙিত উঠোৱাৰ সময়ত তেওঁলোকে মৃতকৰ পুৰণি কাপোৰ সলাই নতুন বস্ত্ৰ পিন্ধাই দিয়ে। শটো চাঙিত তুলি দিয়াৰ আগতে মৃতকৰ পৰিয়ালৰ সকলোৱে মৃতকৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদি সেৱা জনাই আৰু ৰাইজে এজকা আৰ্শীবাদ দিয়ে।

মৃতকৰ শটো নিবৰ বাবে বাঁহৰ চাঙি ব্যৱহাৰ কৰে। শৱ দাহ কৰিবলৈ যাওঁতে এটা জুমুঠিও জ্বলাই নিয়ে আৰু লগতে এটা টেকেলীত পানী আৰু অলপ সৰিয়হৰ গুটিও লৈ যায়। শৱ দাহৰ বা প্ৰয়োজনীয় খৰি আৰু লাগনি খৰি আদি গাঁৱৰ ৰাইজে কঢ়িয়াই নিয়ে।

শৱ চিতাত তোলাৰ সময়ত সাতপাক চিতাৰ চাৰিওফালে ঘূৰাই। শৱ দাহ কৰি চিতাত জুই দি মুখাগ্নি কৰে। এই কাম সাধাৰণতে নিজ পুত্ৰ সন্তানে কৰাৰ নিয়ম এই অঞ্চলৰ সোণোৱালসকলৰ মাজতো আছে। পুৰুষক তলমুৱাকৈ আৰু মহিলাক ওপৰমুৱাকৈ শৱ দাহ কৰে। শটো জ্বলাৰ পিছত পৰিযালৰ লোকে এটি সেৱা লৈ টেকেলিত থকা পানী ঢালি প্ৰয়োজনসাপেক্ষে অস্তি এটা সৰু চুঙাত ভৰাই ঘৰমুৱা হয়। কোনো ব্যক্তিয়ে শৱ জ্বলোৱা ঠাইলৈ ঘূৰি চাব নাপায় আৰু লগত দেৱ - দেৱতা আহিব পাৰে বুলি এই অঞ্চলৰ লোকসকলৰ মাজত লোকবিশ্বাস আছে। গধুলিলৈ গাঁৱৰ প্ৰতিঘৰ মানুহৰ চোতালত জাগ দিয়াৰ পৰম্পৰা আছে।

**২.৪.১ সংস্কাৰ ব্যৱস্থা :**

মৃতকক সৎকাৰ কৰি অহাৰ পিছতেই যি কেইজন ব্যক্তিয়ে শৱ কঢ়িয়াই নিছিল তেওঁলোকক তিলানিলৈকে সাধাৰণতে মৃতকৰ ঘৰতে থকা দেখা যায়। কিন্তু বৰ্তমান এই অঞ্চলত এইবোৰ নিয়ম দেখা নাযায়। পূৰ্বৰ নিয়ম মতে তিনিদিনত তিলনি,দহ দিনত দহা আৰু কুৰি বা এমাহত কাজ কৰা নিয়ম এই অঞ্চলৰ লোকৰো আছে। বৰ্তমান এই অঞ্চলত এঘাৰ দিনীয়া, বাৰ দিনীয়া আৰু তেৰ দিনীয়াকৈ শ্ৰাদ্ধ পতা দেখা যায়।

তিলনিৰ দিনা ঘৰৰ ব্যৱহৃত কাপোৰ কানি ধুই মেলি বাহিৰত উলিয়াই দিয়া হয়। ঘৰ চাফা কৰা হয়। তিলনিলৈ অহা ভকতক ঢাৰি পাৰি চোতালত বহিবলৈ দিয়ে। ব্ৰাহ্মণ বা মেধিৰ পৰা অনা শান্তিজল

Head of the ... Assamese
... L.C.D.C. ... College
... Nazira, Sivasagar

খাই ঘৰৰ চুৱা খেদা হয় আৰু ঘৰৰ সকলো চুকে -কোনে শান্তিজল চটিওৱা হয় । তিনিদিন উপবাসে থকাৰ পিছত ওচৰ - চুবুৰীয়াই এসাজ ৰান্ধি গৃহস্থৰ খোৱাৰ নিয়ম জামিৰা অঞ্চলৰ কছাৰী সকলৰো আছে। এনেদৰে তিলনিৰ কাৰ্য সমাপ্ত কৰে।

**২.৪.২ দহ দিনীয়া দহা :**

দহ দিনত দশ পিণ্ড বা দহা কৰা হয়। ব্ৰাহ্মণ বা মেধিৰ পৰামৰ্শমতে এই অঞ্চলৰ লোকে দহা - কাজ সম্পন্ন কৰে। দহ দিনৰ দিনা চোতালত ৰভা সাজি থাপনাদি পাতে। মাহ - প্ৰসাদৰ ব্যৱস্থাও কৰা দেখা যায়।

পূৰ্বৰ নিয়মানুসৰি মূল শ্ৰাদ্ধ দহ দিনীয়া দহাৰ পৰা কুৰি দিনৰ দিনা বা এমাহ পূৰ্ণ হলেহে কাজ কৰাৰ নিয়ম আছিল। কিন্তু বৰ্তমানে এই অঞ্চলত এঘাৰ দিনীয়া,বাৰ দিনীয়া, তেৰ দিনীয়াকৈও এই শ্ৰাদ্ধ পতা হয়। শ্ৰাদ্ধৰ দিনা ওচৰ চুবুৰীয়া, গাঁৱৰ ৰাইজ, দূৰ- দূৰণিৰ মিতিৰ- কুটুম সকলোকে আমন্ত্ৰণ জনোৱা হয়। ব্ৰাহ্মণৰ দ্বাৰাই ক্ৰিয়া- কৰ্ম সমাপণ কৰে। মূল ৰভাৰ পূব মূৰত থাপনা স্থাপন কৰে। থাপনাৰ চাৰিওফালে চাৰিটা কলপুলি, কুঁহিয়াৰ পুলি , বাঁহৰ এছাৰি পাতেৰে সৈতে দিয়ে। শ্ৰাদ্ধৰ দিনা এটা ভোজনী গুৰুৰ বাবে দিয়া নিয়ম এই লোকসকলৰো আছে। সাধাৰণতে সোণোৱালসকলৰ সমাজত আশীৰ্বাদৰ প্ৰাধান্য থকাৰ বাবে থাপনাৰ পোনে পোনে আসন ৰখা হয় । যিজনে কীৰ্তন পাঠ কৰে তেওঁক থাপনাৰ সন্মুখলৈ আগ কৰি আসন দিয়া হয়। নাম- কীৰ্তনৰ অন্তত বংশ- পৰিয়াল, বন্ধু - বান্ধৱ,মিতিৰ- কুটুমেও সেৱা কৰে। কেৱল সেয়া কৰাই নহয়,এই অঞ্চলৰ লোকসকলৰ মাজত জী- জোঁৱাই, মিতিৰ - কুটুম, বন্ধু - বান্ধৱে একোখনকৈ ভাৰ দিয়াৰ নিয়ম আছে।

মূল সবাহৰ দিনা মাহ-প্ৰসাদ বিতৰণৰ পাছতে আহাৰৰ ব্যৱস্থা কৰা হয়। ভকতে খোৱাৰ পিছত এখন বস্ত্ৰ পাৰি দি তাতে সাস্তাঙ্গে প্ৰণিপাত জনাই ভকতক এখনি গুৱা- পাণ আগবঢ়াই সৰ্বদোষ মৰিষণৰ প্ৰাৰ্থনা জনাই বিদায় দিয়াৰ ব্যৱস্থা আছে। এনেদৰে জামিৰা অঞ্চলৰ সোণোৱাল সকলে তেওঁলোকৰ ৰীতি-নীতিৰে মৃত্যু সম্পৰ্কীয় লোকাচাৰ সমাপণ কৰে।

**৩.০ সিদ্ধান্ত :**

মানুহৰ জীৱনটো জন্ম, বিবাহ আৰু মৃত্যু এই তিনিটা ঘটনাৰ সমষ্টি । জামিৰা গাঁৱৰ সোণোৱাল কছাৰীসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত লোকাচাৰৰ বিষয়ে আলোচনা কৰাৰ অন্তত কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰি। তলত সেইবোৰ উল্লেখ কৰা হ'ল –

ক) মানুহ সামাজিক প্ৰাণী। জন্ম, বিবাহ আৰু মৃত্যু - এই তিনিটা ঘটনাৰ লগত কেৱল এজন ব্যক্তিয়েই জড়িত হৈ নাথাকে। এখন সমাজৰ সৰহসংখ্যক লোকে কোনো এঘৰৰ জন্ম, বিবাহ আৰু মৃত্যুৰ সৈতে সম্পৰ্কিত হৈ থাকে। যিহেতু এখন সমাজ কিছুমান নিৰ্দিষ্ট ৰীতি-নীতিৰে আগবাঢ়ি গৈ থাকে আৰু সেইবোৰেই লোকাচাৰ নাম পাই। জামিৰা গাঁৱতো জন্ম, বিবাহ আৰু মৃত্যু কেন্দ্ৰিক লোকাচাৰ আছে।

খ) জামিৰা অঞ্চলৰ আশে-পাশে দেউৰী, মিচিং, কোঁচ জনগোষ্ঠীৰ লোকে বসবাস কৰে। যিহেতু সংস্কৃতিৰ আদান- প্ৰদান হয় । জামিৰা অঞ্চলৰ সোণোৱাল কছাৰীসকলৰ সংস্কৃতিও সংমিশ্ৰণত গঢ়ি উঠিছে।

গ) লোকাচাৰ সমূহ বৰ্তমানেও জামিৰা অঞ্চলত প্ৰচলিত হৈ আছে। কিন্তু পূৰ্বতে কেনেদৰে লোকাচাৰ সমূহ পালন কৰিছিল বৰ্তমানে এই অঞ্চলত তেনেদৰে পালন কৰা দেখা নাযায়। হয়টো শিক্ষাৰ অগ্ৰগতি, যাতায়ত ব্যৱস্থাৰ উন্নতি আৰু চিকিৎসালয়ৰ স্থাপন। লগতে চৰকাৰে এনে কিছুমান পদক্ষেপ হাতত লৈছে,যাৰ বাবে গাঁৱে গাঁৱে আশাকৰ্মীৰ দৰে চিকিৎসাকৰ্মীৰ যোগেদি প্ৰত্যেক মানুহকে আধুনিক মনৰ কৰি তুলিবলৈ প্ৰয়াস কৰিছে আৰু যাৰ প্ৰভাৱ জন্ম, বিবাহ আৰু মৃত্যু তিনিওটা লোকাচাৰৰ ক্ষেত্ৰত পৰা দেখিবলৈ পোৱা গৈছে।

বৰ্তমান মানুহৰ মনবোৰ বিজ্ঞানসন্মত হৈ পৰিছে। পূৰ্বতে পালন কৰা লোকাচাৰ সমূহ বহুতো পাহৰণিৰ গৰ্ভত লীন গৈছে। তথাপিও এখন সমাজত কিছুমান নিৰ্দিষ্ট লোকাচাৰ থাকিবই আৰু সেই লোকাচাৰখিনিৰে জামিৰা গাওঁখন সমৃদ্ধ হৈ আছে। লগতে ই স্বকীয় হৈ আছে আৰু স্বকীয় হৈ থাকিব।

**৩.১ উপসংহাৰ :**

সোণোৱাল কছাৰীসকল জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় লোকাচাৰ আৰু নীতি- নিয়মসমূহ আধুনিকতাৰ ফলত হেৰাই যাবলৈ ধৰিছে। জামিৰা অঞ্চলতো পূৰ্বৰ নীতি- নিয়মবোৰ হেৰাই যোৱা পৰিলক্ষিত হৈছে। পূৰ্বতে জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কত যিবোৰ লোকাচাৰ আছিল বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলত এইসমূহ লোপ পাইছে। জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কত মানুহৰ যিবো লোকাচাৰে ঠাই পাইছিল সেইসমূহ আধুনিকতাৰ প্ৰভাৱত পৰি মানুহৰ মনৰ পৰা আঁতৰি গৈছে।

জামিৰা অঞ্চলৰ লোকসকলেও এই আধুনিকতাৰ দ্বাৰা প্ৰভাৱিত হৈছে। তেওঁলোকৰ চিন্তা সলনি হোৱাৰ লগতে মূল্যবোধৰো পৰিৱৰ্তন ঘটিছে।

পৰিশিষ্ট

প্ৰসংগ সূত্ৰ:

১) নাথ, দ্বীপেন: সংস্কৃতি অধ্যয়ন, পৃ: ৯৩

২) সোণোৱাল, গগণচন্দ্ৰ: সৃষ্টি, দৃষ্টি আৰু দৰ্শন, পৃ:১১৯

## গ্ৰন্থপঞ্জী:


১) কছাৰী, নন্দেশ্বৰ : সোণোৱাল কছাৰী সমাজ- সংস্কৃতি আৰু ভাষাৰ পৰিচয়। প্ৰকাশক: সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, ডিব্ৰুগড়,জনজাতি গৱেষণা বিভাগ: প্ৰথম প্ৰকাশ: ২০১১

২)দেউৰী, মাধৱজ্যোতি, কছাৰী,ৰিপু : অসমৰ মচেংজা; সদৌ অসম ট্ৰাইৱেল সংঘৰ ৩৯ তম ত্ৰিবাৰ্ষিক কেন্দ্ৰীয় শিৱসাগৰ অধিৱেশনৰ স্মৃতিগ্ৰন্থ।

৩) নাথ, দ্বীপেন : সংস্কৃতি অধ্যয়ন, প্ৰকাশক আৰু পৰিৱেশক: বিদ্যাভৱন মহাত্মা গান্ধী পথ যোৰহাট -১, প্ৰথম সংস্কৰণ: জুলাই,২০১৩, সপ্তম সংশোধিত সংস্কৰণ: নৱেম্বৰ, ২০২০

৪) সোণোৱাল, গুণেশ্বৰ : সোণোৱাল কছাৰী জনগোষ্ঠী আৰু অন্যান্য জনজাতীয় প্ৰতিভাৰ সমীক্ষা। প্ৰকাশক: সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ ডিব্ৰুগড়, প্ৰথম প্ৰকাশ ৩০মাৰ্চ,২০১৩

৫) হাজৰিকা, ৰতন : কিৰাত- কান্তি; সোণোৱাল কছাৰী সাহিত্য- সভাৰ প্ৰথম দ্বি-বাৰ্ষিক ডিব্ৰুগড় অধিবেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ, প্ৰকাশ কাল: ২৮ নৱেম্বৰ, ২০২১ চন

## তথ্য দাতাৰ তালিকা:

১) নাম : শ্ৰীমতী বিউতী হাজৰিকা
লিংগ : মহিলা
বয়স : ৫০ বছৰ
ঠিকনা : নিতাইপুখুৰী, জামিৰা গাওঁ

২) নাম : শ্ৰীমতী শোষেশ্বৰী হাজৰিকা
লিংগ : মহিলা
বয়স : ৬২ বছৰ
ঠিকনা : নিতাইপুখুৰী, জামিৰা গাওঁ

৩) নাম : শ্ৰীমতী মহিলা হাজৰিকা
লিংগ : মহিলা
বয়স : ৭০ বছৰ
ঠিকনা : নিতাইপুখুৰী, জামিৰা গাওঁ

৪) নাম : শ্ৰীমতী ভোগে কছাৰী
লিংগ : মহিলা
বয়স : ৭৫ বছৰ
ঠিকনা : নিতাইপুখুৰী, জামিৰা গাওঁ

৫) নাম : শ্ৰীমতী ৰেণু কছাৰী
লিংগ : মহিলা
বয়স : ৭০ বছৰ
ঠিকনা : নিতাইপুখুৰী, জামিৰা গাওঁ